# প্ৰাথমিক চিকিৎসা

## সাধাৰণ বিজ্ঞান

**১। কটা-ছিঙা হৈ তেজ ওলালে কি কৰিবা ?**

**উত্তৰঃ** কটা-ছিঙা হৈ তেজ ওলালে—

ক) তেজ ওলোৱা বন্ধ কৰিবলৈ কটা ঠাইডোখৰ টিপা মাৰি ধৰিব লাগে।

খ) কটা ঠাইডোখৰ চাফা পানীৰে ধুই দিব লাগে।

গ) ধূলি-মাকতি পৰিব নোৱাৰাকৈ চাফা কাপোৰ বা বেণ্ডেজেৰে ঘাঁ-ডোখৰ পাতলকৈ বান্ধি দিব লাগে।

ঘ) নাৰ্জি ফুলৰ আগ, বৰফ আদি দি তেজ বন্ধ কৰিব পাৰি।

ঙ) আন ডাঙৰ মানুহ বা ডাক্তৰক খৱৰ দিব লাগে।

**২। হাত-ভৰি মোচোকা খালে কি কৰা উচিত?**

**উত্তৰঃ** হাত-ভৰি মোচোকা খালে –

ক) মোচোকা খোৱা ঠাইত লগে লগে পৰিষ্কাৰ ঠাণ্ডা পানী ঢালিব লাগে।

খ) বিষ কমোৱা মলম ঘঁহিব লাগে।

গ) কেচা হালধি খুন্দি লগাই থব লাগে।

ঘ) বেছিকৈ উখহিলে বা বিষালে ডাঙৰ মানুহক বা ডাক্তৰক খবৰ দিব লাগে।

**৩। জুয়ে পুৰিলে কেনে ধৰণৰ প্ৰাথমিক চিকিৎসা গ্ৰহণ কৰিব লাগে ?**

**উত্তৰঃ** জুয়ে পুৰিলে— ক) জুয়ে পোৰা ঠাইডোখৰ মোহাৰি দিব নালাগে।

খ) জোলা বান্ধিলে ভাঙিব নালাগে।

গ) মলম লগাই দিব লাগে।

ঘ) পোৰা ঠাইখিনিত চেচা পানী ঢালিব লাগে।

ঙ) জুয়ে পোৰা মানুহক যথেষ্ট পৰিমাণে পানী আৰু গাখীৰ খাবলৈ দিব লাগে।

চ) বেছিকৈ পুৰিলে ডাক্তৰৰ সহায় লব লাগে।

**৪। পোক-পতংগই কামুৰিলে কি কৰিব?**

**উত্তৰঃ** পোক-পতংগই কামুৰিলে –

ক) বিন্ধা বা কামোৰা ঠাইত শুং লাগি থাকিলে এৰুৱাই দিব লাগে।

খ) চূণ-পানী বা ডেটল ঘঁহি দিব লাগে।

গ) এইখিনি কৰাৰ পিছতো যদি বিষ নকমে বা উখহিয়ে থাকে, তেন্তে ডাক্তৰৰ ওচৰলৈ যাব লাগে।

**৫। প্ৰাথমিক চিকিৎসা বাকচত কি কি বস্তু সংগ্ৰহ কৰি ৰাখিব লাগে ?**

**উত্তৰঃ** প্ৰাথমিক চিকিৎসা বাকচত বিশুদ্ধ কপাহ, বেণ্ডেজ কাপোৰ, সৰু কেচী এখন, বীজাণুনাশক মলম, চাফা কাপোৰ, ডেটল, বাৰ্ণল আদি সংগ্ৰহ কৰি ৰাখিব লাগে।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। আকস্মিক দুৰ্ঘটনা কাক বোলে?**

**উত্তৰঃ** খেলা-ধূলা কৰোঁতে বা আন কাম-কাজ কৰোঁতে হঠাৎ পোৱা আঘাতকে আকস্মিক দুৰ্ঘটনা বোলে।

**২। প্ৰাথমিক চিকিৎসা কাক বোলে ?**

**উত্তৰঃ** আঘাত, দুৰ্ঘটনা আদিৰ ক্ষেত্ৰত ডাক্তৰৰ পৰামৰ্শ পোৱাৰ আগতে কৰিব পৰা সাধাৰণ ব্যৱস্থাকে প্ৰাথমিক চিকিৎসা বোলে।

**৩। মূৰ্চ্ছা গলে কি কৰিবা ?**

**উত্তৰঃ** মূৰ্চ্ছা গলে—

ক) চকুৰে-মুখে পানী ছটিয়াব লাগে।

খ) চোলাৰ বুটাম, পেণ্টৰ বেল্ট খুলি দিব লাগে।

গ) ৰোগীৰ ওচৰত জুম বান্ধিব নালাগে।

ঘ) হাত-ভৰিৰ তলুৱা মোহাৰি দিব লাগে।

**৪। পানীত ডুবিলে কি কৰিব লাগে ?**

**উত্তৰঃ** পানীত ডুবিলে –

ক) পানীত ডুবা মানুহক তলমূৰকৈ শুৱাই দিব লাগে।

খ) তিতা কাপোৰ সলাই দিব লাগে।

গ) চেতনা আনিবলৈ আঠু দুটা কোঁচ খুৱাই বুকুৰ ওচৰলৈ কেইবাৰমান

অনা-নিয়া কৰিব লাগে।